# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-03-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

নিৰ্বাচন আয়োগৰ উদ্যোগত আজি নতুন দিল্লীত প্ৰথমবাৰৰ বাবে দেশৰ ১ লাখৰো অধিক বুথ পৰ্যায়ৰ বিষয়া, বি এল অ'ৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হৈছে। ৰাজধানী মহানগৰীখনৰ ভাৰত আন্তঃৰাষ্ট্ৰীয় গণতান্ত্ৰিক আৰু নিৰ্বাচন ব্যৱস্থাপনা প্ৰতিষ্ঠান, আই আই আই ডি ই এমত এই প্ৰশিক্ষণ অনুষ্ঠিত হয়। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে নিৰ্বাচন আয়ুক্ত ডঃ বিবেক যোশীৰ সৈতে এই দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী মুকলি কৰে। দেশৰ প্ৰতিটো ভোটকেন্দ্ৰৰ কমেও এগৰাকীকৈ বি এল অ'ক পৰৱৰ্তী কেইটামান বছৰত এই প্ৰশিক্ষণ কাৰ্যসূচীৰে সামৰি লোৱাৰ লক্ষ্য লোৱা হৈছে। এই অনুসৰি অসম, বিহাৰ আৰু পশ্চিমবংগৰ ১০৯ গৰাকী বি এল অ'ই আজি  প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। কেৰালা, পুডুচেৰী আৰু তামিলনাডুৰ ১৩খন জিলাৰ নিৰ্বাচনী বিষয়া আৰু ২৪গৰাকী নিৰ্বাচনী পঞ্জীয়ন বিষয়াইও এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। ১৯৫০ চনৰ জন প্ৰতিনিধিত্ব আইনৰ অধীনত বুথ পৰ্যায়ৰ বিষয়াসকলক তেওঁলোকৰ ভূমিকা আৰু দায়িত্ব সম্পৰ্কে সজাগ কৰি তোলাৰ বাবে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০

বুদ্ধদ্বীপ গগৈ আৰু পদ্মধৰ নায়কক ৰাজ্য চৰকাৰৰ অতিৰিক্ত মহাধিবক্তা হিচাপে নিযুক্তি দিয়া হৈছে। ৰাজ্য চৰকাৰৰ বিভাগীয় সচিবে এই নিযুক্তি নিৰ্দেশনা দিছে।

০০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা মাজত আজি এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰিত হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা আৰু বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ উপস্থিতিত স্বাক্ষৰিত হোৱা চুক্তি অনুসৰি ডঃ ভূপেন হাজৰিকাৰ চলচ্চিত্ৰ আৰু গীতসমূহৰ বিষয়ে গৱেষণা, সংৰক্ষণ পুনৰুদ্ধাৰ আৰু ডিজিটেল ৰূপৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। পৰৱৰ্তী পৰ্যায়ত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত গীতসমূহ সংৰক্ষণ কৰা হ'ব।

০০০০০

গুৱাহাটীত কালি গ্ৰেপ্তাৰ কৰা পোৰ্টেল চেনেলৰ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক আজি গুৱাহাটীৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়। তেওঁৰ অধিবক্তাই দাখিল কৰা জামিন আবেদন আদালতে নাকচ কৰে। সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ বিৰোধিতা কৰি আজি গুৱাহাটী প্ৰেছ ক্লাবত সাংবাদিকসকলে প্ৰতিবাদ সাব্যস্ত কৰে। কেইবাগৰাকীও সম্পাদক আৰু জ্যেষ্ঠ সাংবাদিককে ধৰি সংবাদ মাধ্যমৰ সাংবাদিকসকলে ক'লা বেজ পৰিধান কৰি এই প্ৰতিবাদী কাৰ্যসূচীত ভাগ লয়। সাংবাদিকসকলে প্ৰতিবাদী সমদল উলিয়াই পাণবজাৰ থানালৈ অগ্ৰসৰ হোৱাৰ সময়ত আৰক্ষীয়ে তেওঁলোকক বাধা দিয়ে আৰু সাংবাদিকৰ সৈতে আৰক্ষীৰ কথা কটাকটি হয়।

পাছত সাংবাদিকসকলে গুৱাহাটী প্ৰেছ ক্লাবত এখন প্ৰতিবাদী সভাত মিলিত হৈ এই গ্ৰেপ্তাৰ কাৰ্যক সম্পূৰ্ণ অযুক্তিকৰ আৰু সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত প্ৰত্যক্ষ হস্তক্ষেপ বুলি অভিযোগ কৰে আৰু সাংবাদিকগৰাকীক বিনাচৰ্তে মোকলাই দিবলৈ দাবী জনায়।

ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ সাংবাদিকসকলেও আজি সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত প্ৰতিবাদী কাৰ্যসূচীত ভাগ লয় বুলি আমাৰ সংবাদদাতাসকলে জনাইছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি গুৱাহাটীৰ পাণবজাৰৰ এপেক্স বেংকৰ কাৰ্যালয়ত তথ্য সংগ্ৰহৰ বাবে প্ৰৱেশ কৰা সাংবাদিকগৰাকীক আৰক্ষীয়ে প্ৰথমে পাণবজাৰ থানালৈ লৈ যায়। থানাত প্ৰায় ৮ ঘণ্টা সময় তেওঁক বহুৱাই ৰখাৰ পাছত আৰক্ষীয়ে কৰ্তব্যৰত কৰ্মচাৰীৰ বিৰুদ্ধে আপত্তিজনক শব্দ ব্যৱহাৰৰ অভিযোগত সাংবাদিকগৰাকীক জামিন অযোগ্য ধাৰাত গ্ৰেপ্তাৰ কৰে। তেওঁৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১১০/২৫ ধাৰাত গোচৰ ৰুজু কৰা হৈছে।

০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। গোৱালপাৰা জিলাৰ ২০টা পৰিষদীয় সমষ্টিৰ লগতে কামৰূপ জিলাৰ ১৪টা পৰিষদীয় সমষ্টিটো ২ এপ্ৰিলত ভোটগ্ৰহণ হ'ব। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত বিগত দুটা নিৰ্বাচনত ভোটদানৰ পৰা বিৰত থকা কামৰূপৰ গাৰো জাতীয় পৰিষদে এইবাৰ ভোটদান কৰিব। গাৰো জাতীয় পৰিষদৰ উপদেষ্টা সুনীত পি মাৰাকে আজি সাংবাদিকৰ আগত এইকথা প্ৰকাশ কৰিছে। গাৰো জাতীয় পৰিষদে কেইবাটাও দাবীৰ সমৰ্থনত পূৰ্বৰ দুটা নিৰ্বাচনৰ ভোটদানৰ পৰা বিৰত আছিল। কামৰূপৰ ১৪টা ৰাভা-ৰাছং স্বায়ত্তশাসিত পৰিষদতে ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতি, ভাৰতী জনতা দল, কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলে প্ৰচাৰ চলাই আছে। অসম প্ৰদেশ তৃণমূল কংগ্ৰেছৰ সভাপতি দুলু আহমেদে আজি নিৰ্বাচনত অৱতীৰ্ণ হোৱা দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত ভাগ লয়।

০০০০০

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতি দিৱস আজি অসম সাহিত্য সভাই সাহিত্য দিৱস হিচাপে পালন কৰিছে। সভাই কেন্দ্ৰীয়ভাৱে মৰিগাঁও জিলা সাহিত্য সভাৰ আতিথ্যত আৰু আঁহতগুৰি শতদল সাহিত্যে সভাৰ সহযোগত দিনজোৱা কাৰ্যসূচীৰে আঁহতগুৰি শ্ৰীমন্ত শংকৰগুৰু কীৰ্তনঘৰত এই দিৱসৰ অয়োজন কৰা হয়। এই উপলক্ষে পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছত দিনৰ ভাগত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। সাহিত্য সভাৰ মূল অনুষ্ঠানৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত শাখা সাহিত্য সভাসমূহেও  সাহিত্য দিৱস পালন কৰিছে। ওদালগুৰি জিলা সাহিত্য সভাইও জ্ঞানমালিনী স্বৰ্ণশাখা সাহিত্য সভা, ধোপগুৰিৰ উদ্যোগত দিনজোৱা কাৰ্যসূচীৰে সাহিত্য দিৱস পালন কৰে।

পাঠশালা সাহিত্য সভাৰ উদ্যোগতো আজি সাহিত্যৰথীগৰাকীৰ স্মৃতি দিৱস সাহিত্য দিৱস উদযাপন কৰা হয়। পুৱা পাঠশালা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ গোস্বামীয়ে পতাকা উত্তোলন কৰাৰ পাছতে স্মৃতি তৰ্পণ, সাহিত্যৰথীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু মুকলি আলোচনা অনুষ্ঠিত হয়।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে অহা ২৯ মাৰ্চ শনিবাৰে গুৱাহাটীৰ দিছপুৰ লাষ্টগেটৰ লোকনিৰ্মাণ বিভাগৰ সন্মিলন ভৱনত 'আপুনি কেনে আছে' শীৰ্ষক এটা বিশেষ অন্তৰংগ অনুষ্ঠানৰ

আয়োজন কৰিছে। দিনৰ চাৰে ১০ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ছটা দশকৰ নজহা-নপমা স্মৃতি ৰোমন্থনৰ লগতে কেইবাগৰাকীও প্ৰাক্তন বাতৰি পৰিৱেশক-পৰিৱেশিকা, সম্পাদক আৰু বিষয়াই বৰ্তমানৰ বাতৰি বিভাগৰ কৰ্মীসকলৰ সৈতে অন্তৰংগ আলাপত ভাগ ল'ব। এই অনুষ্ঠানৰ বছা বছা অংশ সেইদিনা নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত শুনিবলৈ পাব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত আজি ৰিয়ান পৰাগৰ নেতৃত্বত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ২৩ বছৰীয়া ক্ৰিকেটাৰ ৰিয়ান পৰাগৰ গৃহ ৰাজ্যত খেল প্ৰদৰ্শন উপভোগ কৰিবলৈ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। তদুপৰি যুৱ ক্ৰিকেটপ্ৰেমীসকলে সঞ্জু ছেমচন, ধ্ৰুৱ জুৰেল, চিমৰণ হেটমায়াৰ, যশস্বী জয়ছ্ৱালৰ উপৰি কলকাতা নাইট ৰাইডাৰ্ছৰ আজিংক্য ৰাহানে, ৰিংকু সিং, আন্দ্ৰে ৰাছেল, ভেংকটেশ আয়াৰ, বৰুণ চক্ৰৱৰ্তী আদিকে ধৰি নিজ নিজ ক্ৰিকেট আইডলসমূহৰ খেল উপভোগ কৰিবলৈ আগ্ৰহেৰে অপেক্ষা কৰিছে। আজিৰ খেলখনৰ পৰিপ্ৰেক্ষিতত যান-বাহন আৰক্ষীয়ে গুৱাহাটী মহানগৰত কেতবোৰ পথৰ যাতায়তৰ ক্ষেত্ৰত কিছু সালসলনি কৰিছে। সেই অনুসৰি দিনৰ ২ বজাৰ পৰা নিশা ১২ বজালৈ জি এছ ৰোড, বি কে কাকতি ৰোড, এ কে আজাদ ৰোড, এ কে দেৱ ৰোড, কুল বসুমতাৰী ৰোড, ড০ ভূপেন হাজৰিকা পথ, মৰাভৰলু পথ, এফ এ ৰোড, ধুপলীয়া ৰোড, বিষ্ণুপুৰ ৰোড, বিৰুবাৰী-জি এম চি ৰোড আৰু কাহিলীপাৰা ৰোডত বাণিজ্যিক বাহন আৰু লেহেমীয়া গতিৰ বাহনৰ চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। আনহাতে, বিয়লি চাৰে চাৰি বজাৰ পাছত লালগণেশ তিনিআলিৰ পৰা চাইকেল ফেক্টৰী তিনিআলিলৈ কাৰ পাছ থকা বাহনকহে চলাচলৰ অনুমতি দিয়া হ'ব।

প্ৰতিযোগিতাত একেখন ষ্টেডিয়ামতে অহা ৩০ মাৰ্চত হ'বলগীয়া আন এখন খেলত চেন্নাই ছুপাৰ কিংছে ৰাজস্থানৰ ৰয়েলছৰ বিৰুদ্ধে খেলিব।

০০০০০

সমাপ্ত